# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-07-2024
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন জিলাত বাঢ়নী পানী ক্ৰমাৎ শুকাবলৈ লৈছে যদিও এতিয়াও ৰাজ্যৰ ২১ খন জিলাৰ প্ৰায় ৮ লাখ ৪০ হাজাৰতকৈ অধিক লোক বানৰ কবলত আছে। ব্ৰহ্মপুত্ৰ, বৰাককে ধৰি প্ৰধান প্ৰধান নদীসমূহৰ জলস্তৰ এতিয়াও বিপদসীমাৰ ওপৰত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৬১টা ৰাজহ চক্ৰৰ এহেজাৰ ৭০৫ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ২৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। কালি ধেমাজি জিলাত বানৰ ফলত পুনৰ এজন লোকে প্ৰাণ হেৰুৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৯১ লৈ বৃদ্ধি হৈছে। ৰাজ্য চৰকাৰে স্থাপন কৰা ২২১টা আশ্ৰয় শিবিৰত ৩৬ হাজাৰতকৈ অধিক লোকে আশ্ৰয় লৈ আছে। এন ডি আৰ এফ, এছ্ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱকসকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ইয়াৰ লগতে বিভিন্ন স্বেচ্ছাসেৱী সংগঠনসমূহেও বানত ক্ষতিগ্ৰস্তসকললৈ সাহায্য আগবঢ়াইছে। যোৰহাটত বিভিন্ন আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠানসমূহে বানৰ শিবিৰসমূহত সাহায্য আগবঢ়াইছে। নিমাতী সমীপৱৰ্তী ব্ৰহ্মপুত্ৰৰ বান আৰু খহনীয়াই ক্ষতিগ্ৰস্ত কৰা পৰিয়ালসমূহৰ মাজত আজি এটা স্বেচ্ছাসেৱী অনুষ্ঠানে খাদ্য সামগ্ৰী বিতৰণ কৰে।

ইফালে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ গুৱাহাটী কাৰ্যালয়ে সদৰি কৰা তথ্য অনুযায়ী পৰৱৰ্তী কেইঘণ্টামানত ৰাজ্যখনৰ চৰাইদেউ, ধেমাজি, ডিব্ৰুগড়, গোলাঘাট, যোৰহাট, লখিমপুৰ, মাজুলী, শিৱসাগৰ, তিনিচুকীয়া, চিৰাং, বৰপেটা, বঙাইগাঁও, বিশ্বনাথ, দৰং, ধুবুৰী, ডিমাহাচাও, গোৱালপাৰা, কোকৰাঝাৰ, কামৰূপ আৰু কামৰূপ মহানগৰকে ধৰি ভালেকেইখন জিলাত মজলীয়া বৰষুণৰ লগতে ধুমুহা অহাৰ সম্ভাৱনা আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বান ক্ষতিগ্ৰস্ত লোকসকলক সাৱধান হৈ থাকিবলৈ সতৰ্কতা জাৰি কৰা হৈছে।

ইফালে, বানত হোৱা ক্ষয়-ক্ষতিৰ সঠিক মূল্যায়ন হোৱাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰে অসমলৈ আৰ্থিক অনুদান প্ৰেৰণ কৰিব বুলি ইতিমধ্যে প্ৰকাশ কৰিছে।

০০০০

ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি পূৰণৰ অংশ হিচাপে কাইলৈ দিছপুৰৰ লোকসেৱা ভৱনৰ সন্মিলন কক্ষত শিক্ষা বিভাগৰ অধীনত ৪১ গৰাকী প্ৰাৰ্থীলৈ নিযুক্তি পত্ৰ প্ৰদানৰ উদ্দেশ্যে নিযুক্তি সমাৰোহৰ আয়োজন কৰা হৈছে। এই ৪১ গৰাকী প্ৰাৰ্থীৰ ভিতৰত উচ্চ শিক্ষা সঞ্চালকালয়ত ২২ গৰাকী, কাৰিকৰী শিক্ষা সঞ্চালকালয়ত ১২ গৰাকী আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৭ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুও উপস্থিত থাকিব। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ ১৪ মাৰ্চ পৰ্যন্ত ৰাজ্য চৰকাৰে ৯৭ হাজাৰ ৪৫৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০

সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ ৩৬ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে শিৱসাগৰত অনুষ্ঠিত হৈছে। নগৰখনৰ বৰ্ডিং খেল পথাৰত গছপুলি ৰোপণেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। ইয়াৰ পাছত পতাকা উত্তোলন, মৈদাম তৰ্পণ, শ্বহীদ শ্ৰদ্ধাঞ্জলি আদি অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ লগতে ডিম্বেশ্বৰ গগৈ সোঁৱৰণী সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষই উদ্বোধন কৰা তৰ্ক প্ৰতিযোগিতাখনৰ বিষয় আছিল - 'বৰ্তমান অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত আহোম স্বৰ্গদেউসকলৰ কূটনৈতিক পাৰদৰ্শিকতাৰ প্ৰাসংগিকতা আছে'। আজিৰ কাৰ্যসূচীত সন্ধিয়া বিভিন্ন দল-সংগঠনৰ নেতৃত্বৰ সৈতে মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হ'ব।

০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০

কংগ্ৰেছৰ সংসদীয় দলৰ অধ্যক্ষ ছোনীয়া গান্ধীয়ে লোকসভাত দলৰ উপ নেতা, মুখ্য হুইপ আৰু অন্য দুগৰাকী হুইপ নিযুক্তি সন্দৰ্ভত নিম্ন সদনৰ অধ্যক্ষলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। সেই অনুসৰি যোৰহাটৰ সাংসদ গৌৰৱ গগৈক পুনৰ লোকসভাত কংগ্ৰেছ সংসদীয় দলৰ উপ-দলপতি হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে, কোদিকুন্নিল সুৰেশক মুখ্য হুইপ হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০

সমাপ্ত